অধ্যায় ১৪ ঃ মূলধন বজাৰ

অধ্যায় গাঁথনি

১৪.১ উদ্দেশ্য
১৪.২ পৰিচয়
১৪.৩ মূলধন বজাৰ
১৪.৪ প্ৰাথমিক বজাৰ আৰু গৌণ বজাৰ
১৪.৫ অৰ্থনীতিত ষ্টক বিনিময় কেন্দ্ৰৰ ভূমিকা
১৪.৬ অধ্যায়টোৰ পৰা আমি কি শিকিলোঁ
১৪.৭ অধিক জানিবৰ বাবে
১৪.৮ অগ্ৰগতিৰ খতিয়ান
১৪.৯ আৰ্হি প্ৰশ্ন

১৪.১ উদ্দেশ্য

এই অধ্যায়টি অধ্যয়ন কৰি আপুনি—

- বিত্তীয় বজাৰৰ দুটা মূল উপাদান মূলধন বজাৰ আৰু মুদ্ৰা বজাৰৰ বিষয়ে জ্ঞান লাভ কৰিব
- মূলধন বজাৰৰ বহল ভাগ প্ৰাথমিক বজাৰ আৰু গৌণ বজাৰৰ বিষয়ে আৰু এইবোৰৰ কাৰ্য প্ৰণালীৰ বিষয়ে জানিব পাৰিব
- ষ্টক বজাৰ আৰু ষ্টক বিনিময় কেন্দ্ৰৰ ধাৰণা ব্যাখ্যা কৰিব পাৰিব
- ষ্টক বজাৰৰ কাম-কাজ, মূলধন বজাৰ আৰু অৰ্থনীতিৰ বিকাশত ষ্টক বজাৰে পালন কৰা ভূমিকাৰ বিষয়ে জানিব পাৰিব।

১৪.২ পৰিচয়

ইয়াৰ আগৰ অধ্যয়ত আপোনালোকে বিত্তীয় ব্যৱস্থাৰ বিষয়ে শিকি আহিছে। দৰাচলতে বিত্তীয় ব্যৱস্থা হৈছে কিছুমান প্ৰতিষ্ঠানিক ব্যৱস্থাপনা যাৰ জৰিয়তে অৰ্থনীতিত বিত্তীয় ৰাহিসমূহ ৰাহি কৰ্তাৰ পৰা ঘাটি ব্যয় কৰোঁতালৈ হস্তান্তৰ কৰা হয়। তাৰোপৰি আপোনালোকে বিত্তীয় ব্যৱস্থাৰ মূল উপাংগ যেনে— বিত্তীয় সম্পদ, বিত্তীয় বজাৰ আৰু বিত্তীয় প্ৰতিষ্ঠানসমূহ আদিৰ বিষয়েও জ্ঞান আহৰণ কৰি আহিছে। এই অধ্যায়ত আৰু ইয়াৰ পৰবৰ্তি অধ্যায়ত আমি কেৱল মাত্ৰ বিত্তীয় বজাৰতে সীমাবদ্ধ থাকিম। বিত্তীয় বজাৰ বুলিলে এক প্ৰতিষ্ঠান বা এক ব্যৱস্থাপনাক বুজায় যিয়ে আমানত আৰু ঋণ, যৌথ ব্যক্তিগত ষ্টক আৰু বণ্ড, চৰকাৰী বণ্ড আদিকে ধৰি বিত্তীয় সম্পদসমূহৰ বিনিময় সম্ভৱ কৰি তোলে। ব্যৱসায়ত ব্যৱহৃত সম্পদসমূহৰ প্ৰকৃতিৰ ওপৰত

ভিত্তি কৰি বিত্তীয় বজাৰক আকৌ মুদ্রা বজাৰ আৰু মূলধন বজাৰত শ্রেণীবিভাগ কৰা হৈছে। এই অধ্যায়ত আমি মূলধন বজাৰৰ বিষয়ে আৰু ইয়াৰ পৰবর্তি অধ্যয়ত মূদ্রা বজাৰৰ ওপৰত বিষদভাৱে আলোচনা কৰিম। ইয়াত বিশেষভাৱে মূলধন বজাৰ , প্রাথমিক বজাৰ আৰু গৌণ বজাৰৰ বিষয়ে আলোচনা কৰা হৈছে । ষ্টক বজাৰত ক্রয়-বিক্রয় হোৱা বিভিন্ন সম্পদসমূহ , বজাৰখনৰ কার্যাৱলী আৰু গুৰুত্বৰ বিষয়ে এক প্রাথমিক আভাস দিবলৈও চেষ্টা কৰা হ'ব। তদুপৰি অধ্যায়টিৰ শেষৰ পিনে ষ্টক বজাৰৰ অর্থনৈতিক তাৎপর্য ব্যাখ্যা কৰা হৈছে ।

১৪.৩ মূলধন বজাৰ

মূলধন বজাৰ (capital market) বুলিলে এনে এক বজাৰ বা বাস্তৱিকতে আন্তঃ সম্পর্কিত বজাৰৰ এক থূপ (group)ক বুজোৱা হয়, য'ত বা য'ৰ পৰা বিত্তীয় বা মুদ্রাৰ ৰূপত মূলধন বিভিন্ন চর্তত আৰু বিভিন্ন সময়ৰ বাবে ধাৰে দিয়া বা ধাৰে লোৱা হয়। মূলধন বজাৰত মধ্যকালীন আৰু দীর্ঘকালীন ঋণৰ ব্যৱসায় কৰা হয়। ব্যৱসায় প্রতিষ্ঠান আৰু নিগমৰ দ্বাৰা গঠিত অর্থনীতিৰ উৎপাদক গোটে মূলধন সঁজুলি আৰু স্থাৱৰ সম্পদ যেনে, যন্ত্রপাতি, কাৰখানা (plants), গৃহ নির্মাণ ইত্যাদিৰ বাবে প্রয়োজন হোৱা পুঁজিৰ বাবে মূলধন বজাৰৰ ওচৰ চাপে।

ইয়াৰ বিপৰীতে, *মুদ্রা বজাৰ* (money market)ৰ পৰিভাষাটো এই প্রসংগত তিনিটা অর্থত ব্যৱহৃত হয়। একেবাৰে সংকীর্ণ অর্থত ই হ্রস্বকালীন নিৰাপদ ঋণক বুজায় যাৰ সৰহ ভাগ জাননীৰ জৰিয়তে (at call) ঘূৰাই ল'ব পাৰি। দ্বিতীয়তে এই পৰিভাষাটো ব্যৱহাৰ কৰা হয় যিকোনো উচ্চ তাৰল্য গুণসম্পন্ন সম্পদৰ বাবে। একেবাৰে শেষত এই পৰিভাষাটো সাধাৰণভাৱে ঋণযোগ্য পুঁজিৰ বজাৰ বুজাবলৈ ব্যৱহাৰ কৰা হয়। ভাৰতীয় ৰিজার্ভ বেংকৰ (RBI) সংজ্ঞা অনুসৰি মুদ্রা বজাৰ হ'ল— *'মৌদ্রিক সম্পদৰ হ্রস্ব ম্যাদী ব্যৱসায় কৰা কেন্দ্র, ই ঋণ লওতাৰ হ্রস্বম্যাদী প্রয়োজন পূৰণ কৰে আৰু ঋণ দিওতাক তাৰল্য বা নগদ প্রদান কৰে'* (the centre for dealing, mainly of a short-term character,in monetary assets; it meets the short-term requirement of borrowers and provides liquidity or cash to lenders).



অগ্রগতি নিৰীক্ষণ

প্রশ্ন ১ঃ মূলধন বজাৰ কি? (৩০ টা শব্দৰ ভিতৰত)

.....

.....

.....

প্ৰশ্ন ২ ঃ মূলধন বজাৰৰ মুখ্য উপাংগসমূহ কি কি? (২০ টা শব্দৰ ভিতৰত)

.....

.....

.....

প্ৰশ্ন ৩ ঃ মূলধন বজাৰ আৰু মুদ্ৰা বজাৰৰ পাৰ্থক্য চিনাক্ত কৰক। (৪০ টা শব্দৰ ভিতৰত)

.....

.....

.....

.....

১৪.৪ প্ৰাথমিক বজাৰ আৰু গৌণ বজাৰ

আমি জানোঁ যে মূলধন বজাৰ হ'ল দীৰ্ঘম্যাদী পুঁজি ধাৰে দিয়া আৰু ধাৰ লোৱাৰ এক আনুষ্ঠানিক ব্যৱস্থাপনা। মূলধন বজাৰক বহলভিত্তিত শ্ৰেণী বিভক্ত কৰা হয়— প্ৰাথমিক বজাৰ আৰু গৌণ বজাৰ ৰূপে। প্ৰাথমিক বজাৰ বুলিলে সেইখন বজাৰক বুজা যায় য'ত বিত্তীয় সম্পদসমূহ প্ৰথমবাৰৰ বাবে বিক্ৰী কৰা হয়। প্ৰাথমিক বজাৰত নতুনকৈ জাৰি (issue) কৰা বিত্তীয় সম্পদসমূহৰ কিনা-বেচা কৰা হয়। উদাহৰণ স্বৰূপে, যেতিয়া ৰিলায়েঞ্চ পাৱাৰে এক নতুন অংশপত্ৰ (share) বা ষ্টক (যি বিধ ষ্টক আগতীয়াকৈ বিনিয়োগকাৰীয়ে ক্ৰয় কৰা নাই) জাৰি কৰে, এই ষ্টকটো প্ৰাথমিক বজাৰত বিক্ৰী হ'ব। এইদৰে 'নতুন ইচ্ছ্যু বজাৰ' হ'ল প্ৰাথমিক বজাৰৰ এটা উদাহৰণ। নতুনকৈ জাৰি কৰা অংশপত্ৰ বা ষ্টক সমূহে নতুন মূলধন বিনিয়োগ আকৰ্ষণ কৰে।

ইয়াৰ বিপৰীতে, প্ৰচলিত অংশপত্ৰসমূহ গৌণ বজাৰত কিনা-বেচা কৰা হয়। এইদৰে প্ৰাথমিক বজাৰত বিক্ৰী হোৱা সম্পদসমূহ পৰ্যায়ক্ৰমে গৌণ বজাৰত কিনা-বেচা কৰা হয়। গৌণ বজাৰে পুৰণা অংশপত্ৰ, 'ষ্টক', 'বণ্ড', 'ডিবেঞ্চাৰ' ইত্যাদি কিনা-বেচাৰ ক্ষেত্ৰত বিশেষীকৰণ কৰে। 'নেশ্যনেল ষ্টক এক্সেচেঞ্জ' (National Stock Exchange) আৰু 'বম্বে ষ্টক এক্সেচেঞ্জ' (Bombay Stock Exchange) হ'ল গৌণ বজাৰৰ উদাহৰণ। যদি কোনোৱে প্ৰাথমিক বজাৰত কিনা ৰিলায়েঞ্চ পাৱাৰৰ ষ্টক বিক্ৰী কৰিব বিচাৰে তেওঁ এইটো গৌণ বজাৰৰ যোগেদি কৰিব লাগিব। আকৌ, যি বিনিয়োগকাৰীয়ে এই অংশপত্ৰ কিনিব বিচাৰে তেওঁ ইয়াক গৌণ বজাৰৰ পৰা কিনিব লাগিব। এইদৰে গৌণ বজাৰে অংশ পত্ৰৰ মালিকানা (ownership) নিদ্ধাৰণ কৰে অৰ্থাৎ এইবোৰ কালৈ হস্তান্তৰিত হ'ব।

মূলধন বজাৰৰ সবাতোকৈ গুৰুত্বপূৰ্ণ উপাংগ হ'ল ষ্টক বজাৰ। ষ্টক বজাৰ হ'ল এনে এক সংগঠন যিয়ে নতুন অংশপত্ৰৰ আৰু পুৰণা অংশপত্ৰৰ কিনা-বেচাৰ পৃথক ব্যৱস্থাৰ সুবিধা উপলব্ধ কৰে। আমি ইতিমধ্যে পাই অহাৰ দৰে প্ৰথম ব্যৱস্থাটোক 'নতুন ইচ্ছ্যু বজাৰ' বা প্ৰাথমিক বজাৰ আৰু দ্বিতীয় ব্যৱস্থাটোক গৌণ বজাৰ বুলি কোৱা হয়।

প্ৰাথমিক বজাৰ ঃ প্ৰাথমিক বজাৰৰ মূল কাৰ্য হ'ল যৌথ মূলধনী উদ্যোগৰ দ্বাৰা নতুন মূলধন উঠোৱাৰ ব্যৱস্থা সুচল কৰা। অংশ পত্ৰ নতুনকৈ আগবঢ়োৱাৰ জড়িয়তে এই কাৰ্য কৰা হয়। নতুন অংশ পত্ৰসমূহ সমাংশ পত্ৰ (equity share), অগ্ৰাধিকাৰ পত্ৰ (preference share) বা ডিবেঞ্চাৰ (debenture)ৰ ৰূপত হ'ব পাৰে। পুঁজি উঠোৱা প্ৰতিষ্ঠানসমূহ নতুন কোম্পানী নাইবা সম্প্ৰসাৰণৰ পৰিকল্পনা কৰা প্ৰচলিত কোম্পানী হ'ব পাৰে। জনসাধাৰণক তেওঁলোকৰ সঞ্চয়সমূহ নতুন ইচ্ছ্যুত বিনিয়োগ কৰিবলৈ উদ্বুদ্ধ কৰিবৰ বাবে আণ্ডাৰৰাইটাৰ (underwriter) আৰু ষ্টক দালাল (stock broker) আদিৰ দৰে এক নেটৱৰ্ক সেৱাৰ প্ৰয়োজন।

জনসাধাৰণলৈ নতুন অংশপত্ৰ আগবঢ়োৱা প্ৰক্ৰিয়াটোক 'ফ্লটেশ্যন' বা বিনিয়োগ আহ্বান (floatation) বুলি কোৱা হয়। বিনিয়োগ আহ্বান কৰাৰ তিনিটা পদ্ধতি আছে। এইবোৰ হ'ল—জনসাধাৰণলৈ অংশপত্ৰ (prospectus) জাৰিৰ জড়িয়তে, ব্যক্তিগত বিতৰণৰ জড়িয়তে আৰু প্ৰচলিত অংশীদাৰসকলৰ অধিকাৰ (ৰাইট) সাপেক্ষে অংশপত্ৰ বিতৰণৰ জড়িয়তে।

- **ৰাজহুৱা ইস্তাহাৰে** কোম্পানী, ইচ্ছ্যু আণ্ডাৰ ৰাইটাৰ (আণ্ডাৰ ৰাইটাৰে এক নিৰ্দিষ্ট পৰিমাণৰ নতুন অংশপত্ৰ এক নিৰ্দ্দিষ্ট দৰত কিনিবলৈ নিশ্চয়তা প্ৰদান কৰে)ৰ বিষয়ে বিতং তথ্য দাঙি ধৰে, ই হ'ল অংশপত্ৰ কিনিবলৈ জনসাধাৰণলৈ আগবঢ়োৱা এক মুকলি ইস্তাহাৰ।
- **ব্যক্তিগত বিতৰণ** মানে হ'ল অংশপত্ৰৰ বিক্ৰী সাধাৰণ ৰাইজলৈ আগ নবঢ়াই ব্যক্তিগতভাৱে কিছুসংখ্যক বৃহত বিত্তবান বিনিয়োগকৰীৰ মাজত সীমাবদ্ধ ৰখা। ই যথেষ্ট মিতব্যয়ী, কিয়নো আমন্ত্ৰণৰ সৈতে জড়িত ব্যয়টো ৰাহি হয়।
- **অধিকাৰ সাপেক্ষে অংশপত্ৰ বিতৰণ** ৰাইট (rights issue) হ'ল কোনো পুৰণি নিগমৰ অংশীদাৰসকলক তেওঁলোকৰ অংশীদাৰীত্বৰ নিৰ্দিষ্ট অনুপাতত নতুন অংশপত্ৰ সমূহৰ অংশবিশেষ বা পূৰ্ণাংশ ক্ৰয় কৰিবলৈ কৰা আহ্বান। এনে ধৰণৰ অংশপত্ৰসমূহ সদায় ইতিমধ্যে লেনদেনকৃত শ্বেয়াৰৰ বজাৰ মূল্যতকৈ কম মূল্যত আগবঢ়োৱা হয়।

গৌণ বজাৰ ঃ আমি ইতিমধ্যে পাই আহিছোঁ যে এই বজাৰে প্ৰচলিত অংশপত্ৰৰ ব্যৱসায় কৰে। কোনো এক বিত্তীয় সম্পদৰ বাবে গৌণ বজাৰৰ উপস্থিতিয়ে সেই সম্পদৰ তাৰল্যতা বৃদ্ধি কৰে। প্ৰকৃতাৰ্থত, লেনদেনকৃত অংশপত্ৰসমূহক তাৰল্যতা প্ৰদান কৰাই গৌণ বজাৰৰ মুখ্য কাৰ্য। ইয়াক সম্পাদন কৰোঁতে ই এক প্ৰতিষ্ঠানিক ব্যৱস্থাপনা গঢ়ি তোলে যাৰ জড়িয়তে অংশপত্ৰসমূহ যিকোনো সময়ত এক সামান্য লেনদেন ব্যয়ৰ দ্বাৰা ক্ৰয়-বিক্ৰয় কৰিব পাৰি। তাৰল্য প্ৰদান কাৰ্যই নতুন অংশপত্ৰত নতুন বিনিয়োগ তলত দিয়া ধৰণে উৎসাহিত কৰে—

- ইয়ে বিনিয়োগকাৰীসকলক তেওঁলোকৰ অংশসমূহ যিকোনো সময়ত তেওঁলোকে বিচৰা ধৰণে বজাৰত বিক্ৰী কৰাৰ সুবিধা দিয়ে।
- ই অৰ্থনীতিটোৰ বিনিয়োগ পৰিবেশ সম্পৰ্কে ইংগিত দিয়ে। যেতিয়া প্ৰচলিত ষ্টকৰ মূল্য অধিক হ'ব ই নতুন অংশ পত্ৰ জাৰি কৰাত উৎসাহিত কৰে। কাৰণ নতুন অংশপত্ৰৰ বজাৰ

সুপ্রস্তুত হ'ব আৰু বিনিয়োগকাৰী সকলে নতুন অংশপত্রত বিনিয়োগ কৰিবলৈ অধিক আগ্রহী হয়।

- ই সেইসকল বিনিয়োগকাৰীক এটা সুযোগ প্রদান কৰে, যিসকলে প্রাথমিক বজাৰৰ পৰা কিনা নতুন অংশপত্র উচ্চ দৰত বিক্রী কৰি লাভান্বিত হ'ব খোজে। প্রকৃত মূলধনৰ সৈতে এই লাভে বিনিয়োগকাৰী সকলক নতুন তাৰল্যতা প্রদান কৰে। ইয়ে তেওঁলোকক অন্য নতুন অংশপত্রত বিনিয়োগ কৰিবলৈ উৎসাহিত কৰিব পাৰে।

গৌণ বজাৰৰ ভাগসমূহ ঃ গৌণ বজাৰৰ দুটা ভাগ থাকে— মুক্ত বিপণন যোগ্য বজাৰ (over the counter market) আৰু সংগঠিত ষ্টক বিনিময় কেন্দ্র সমূহ (organized stock exchange)।

- মুক্ত বিপণন যোগ্য বজাৰে সেইবোৰ অংশপত্রৰ ব্যৱসায় কৰে, যিবোৰ কোনো ষ্টক বিনিময় কেন্দ্রৰ তালিকাভুক্ত নহয়। এই অংশপত্রসমূহ হ'ল সৰু সৰু কোম্পানীসমূহৰ যাৰ বজাৰ সীমাবদ্ধ। এইবোৰৰ দৰ নির্দ্ধাৰণ হয় ষ্টক দালালসকলৰ প্রত্যক্ষ দৰাদৰিৰ ভিত্তিত।
- ষ্টক বজাৰৰ মূল কার্য সম্পন্ন হয় ষ্টক বিনিময় কেন্দ্রত। ষ্টক বিনিময় কেন্দ্র হ'ল তালিকাভুক্ত প্রচলিত অংশপত্রৰ শৃংখলাবদ্ধ ক্রয়-বিক্রয়ৰ বাবে স্থাপিত এক প্রতিষ্ঠান। ব্যক্তি আৰু ব্যৱসায় প্রতিষ্ঠানসমূহৰ এক সংস্থা হিচাপে ই সুনির্দিষ্ট নীতি-নিয়ম আৰু আদর্শ অনুশীলনৰ দ্বাৰা চালিত হয়। ষ্টক বিনিময় কেন্দ্রৰ উদাহৰণ হ'ল—'লণ্ডন ষ্টক এক্সচেঞ্জ', 'নিউ-য়র্ক ষ্টক এক্সচেঞ্জ', 'বম্বে ষ্টক এক্সচেঞ্জ' ইত্যাদি। প্রত্যেক ষ্টক বিনিময় কেন্দ্রত এখন বিনিময় মঞ্চ বা প্রেক্ষাগৃহ থাকে য'ত ষ্টক দালাল বা তেওঁলোকৰ কর্তৃত্বপ্রাপ্ত প্রতিনিধিসকল কর্ম সময়ৰ ভিতৰত অংশপত্র ক্রয়-বিক্রয় কৰিবলৈ মিলিত হয়। সংগঠিত ষ্টক বিনিময় মানে হ'ল এক নিলাম জাতীয় বজাৰ য'ত লেনদেনকৃত অংশপত্রসমূহৰ দৰ বিনিময় কেন্দ্রৰ মঞ্চত মুকলি ডাক (নিলাম) যোগে নির্দ্ধাৰিত হয়। এইদৰে ষ্টক বিনিময়ৰ দৰসমূহ প্রতিযোগিতামূলক হিচাপে গঢ় লয়। এই প্রতিযোগিতামূলক দৰে সুপৰিচালিত আৰু লাভ আহৰণ কৰা কোম্পানীবোৰক পুঁজি আকর্ষণ কৰাত সহায় কৰে। নতুন সম্পদ আহৰণৰ ক্ষেত্রত ই হ'ল এক ইতিবাচক পদক্ষেপ।



অগ্রগতি নিৰীক্ষণ

প্রশ্ন ৪ঃ প্রাথমিক বজাৰ আৰু গৌণ বজাৰৰ পার্থক্য উল্লেখ কৰক। (৪০ টা শব্দৰ ভিতৰত)

.....

.....

.....

.....

প্রশ্ন ৫ঃ নতুন বৈধ বিনিয়োগ আহ্বান কৰাৰ মুখ্য উপায় তিনিটা কি কি? (৬০ টা শব্দৰ ভিতৰত)

.....

.....

.....

.....

.....

প্রশ্ন ৬ ঃ ষ্টক বিনিময় কেন্দ্র কি? ভাৰতবর্ষৰ দুটা ষ্টক বিনিময় কেন্দ্রৰ নাম উল্লেখ কৰক। (৪০ টা শব্দৰ ভিতৰত)

.....

.....

.....

.....

১৪.৫ অর্থনীতিত ষ্টক বিনিময় কেন্দ্রৰ ভূমিকা

পুঁজিবাদী অর্থনীতিৰ এক শক্তিশালী প্রতিষ্ঠান হ'ল ষ্টক বিনিময় কেন্দ্র। বহুতে মত পোষণ কৰে যে আধুনিক বিশ্ব নির্দ্ধাৰণৰ ক্ষেত্রত প্রাচীন ষ্টক বজাৰে এক উল্লেখনীয় ভূমিকা পালন কৰিছে। প্রত্যেকটো বজাৰ অর্থনীতিৰে বুনিয়াদী আন্তঃ গাঁথনি যেনে ৰে'ল পৰিবহণ, শক্তিখণ্ড, অন্য উপযোগিতা সেৱা আৰু ঔদ্যোগিক তথা বাণিজ্যিক সেৱাসমূহৰ ষ্টক বজাৰৰ বিকাশত বাৰুকৈ পৰিলক্ষিত হয়। উন্নয়ন কেন্দ্রিক বর্তমান বিশ্বত অর্থনৈতিক গাঁথনিৰ প্রাণকেন্দ্র স্বৰূপ হ'ল ষ্টক বজাৰ। ব্যক্তিগত উদ্যোগ পৰিচালিত অর্থনীতি বা গণতান্ত্রিক গাঁথনিৰ ভিত্তিত ব্যক্তিগত আৰু ৰাজহুৱা উদ্যোগৰ জৰিয়তে বিকাশৰ পথত খোজ পেলোৱা যিকোনো দেশৰ অর্থনীতিৰ বাবে ষ্টক বজাৰ হ'ল এক অপৰিহার্য প্রতিষ্ঠান। ষ্টক বজাৰৰ সুচল কার্য সম্পদনৰ মূলতে হৈছে সুচাৰুৰূপে পৰিচালিত ষ্টক বিনিময় কেন্দ্র।

আধুনিক অর্থনীতিত ষ্টক বিনিময় কেন্দ্রৰ ভূমিকা তলত উল্লেখ কৰা হ'ল—

- সঞ্চয় সংগ্রহ আৰু সেইবোৰক উপযুক্ত বিনিয়োগ ক্ষেত্রলৈ নির্গমন কৰাৰ জৰিয়তে এখন দেশত মূলধন গঠনত ষ্টক বিনিময় কেন্দ্রই এক গুৰুত্বপূর্ণ ভূমিকা পালন কৰে। সঞ্চয়কাৰীসমূহৰ তাৰল্য প্রীতি আৰু ক্ষতিশংকা আদি বিষয়ৰ সতে সংগতি ৰাখি বিভিন্ন ধৰণৰ অংশপত্র আগবঢ়োৱাৰ জৰিয়তে একত্রিত ৰূপত এক সংগঠিত বজাৰৰ ব্যৱস্থা উপলব্ধ কৰে। মূলধন সৃষ্টিৰ বাবে বিত্তীয় সম্পদৰ পর্যাপ্ত সঞ্চয়খিনি একত্রিত ৰূপত বিনিয়োগ ক্ষেত্রলৈ আগবঢ়োৱাৰ মূলতে হ'ল ষ্টক বিনিময় কেন্দ্র। আধুনিক অর্থনীতিত ষ্টক বিনিময় কেন্দ্র এটাৰ ভূমিকা সম্পর্কে তলত আলোচনা কৰা হ'ল—

- নতুন অংশপত্ৰ সমূহে অৰ্থনীতিত নতুন উদ্যোগ স্থাপনৰ বাবে মূলধন যোগায় । কিন্তু নতুন অংশপত্ৰসমূহৰ কৃৰ্তকাৰ্যতা নিৰ্ভৰ কৰে প্ৰচলিত অংশপত্ৰৰ ওপৰত। এইদৰে ষ্টক বিনিময় কেন্দ্ৰই ইতিমধ্যে প্ৰচলিত অংশপত্ৰৰ বজাৰ সৃষ্টিৰ উপৰিও ঔদ্যোগিক আৰু অন্যান্য ধৰুৱাৰ বাবে নতুন মূলধনৰ ব্যৱস্থা কৰে। নতুন বা পুৰণি সৰু বা ডাঙৰ যি উদ্যোগেই নহওক নিম্নতম খৰছত অংশপত্ৰ বিক্ৰীৰ জৰিয়তে নিয়মিত পুঁজিৰ প্ৰবাহত আশ্বস্ত হ'লে যিকোনো উদ্যোগে উচ্চ হাৰৰ উৎপাদনৰ লক্ষ্য পূৰণ কৰিব পাৰে।
- ষ্টক বিনিময় কেন্দ্ৰই বিনিয়োগকাৰীৰ অগ্ৰাধিকাৰ অনুসৰি কোনো এক প্ৰকাৰৰ বিনিয়োগৰ পৰা অন্য প্ৰকাৰৰ বিনিয়োগলৈ গতি কৰাৰ সুবিধা কৰি দিয়ে। এই স্বাধীনতাই বিনিয়োগকাৰীক বিনিয়োগ কাৰ্যত উৎসাহ প্ৰদান কৰে ।
- ষ্টক বিনিময় কেন্দ্ৰত তালিকাভুক্ত কোম্পানীসমূহে এক ব্যাপক বিনিয়োগ ক্ষেত্ৰত বিনিয়োগৰ সুবিধা প্ৰদান কৰে। সেই অনুসৰি বিনিয়োগকাৰী এজনে বিভিন্ন অনুপাতত বেলেগ বেলেগ উদ্যোগৰ অংশপত্ৰত তেওঁৰ ক্ষতিশংকাৰ পৰিমাণ প্ৰসাৰিত কৰিব পাৰে। আধুনিক বিনিয়োগৰ ই এটা গুৰুত্বপূৰ্ণ উপাদান।
- ষ্টক বিনিময় কেন্দ্ৰই অংশপত্ৰ আৰু ষ্টক দালাল,' আণ্ডাৰ ৰাইটাৰ' আৰু অন্যান্য বিত্তীয় বিশেষজ্ঞৰ এক কেন্দ্ৰৰ সৃষ্টি কৰে যিয়ে নতুন অংশপত্ৰৰ সবলতা সম্পৰ্কে জনমত সৃষ্টি কৰে। তেওঁলোকে সম্ভাব্য বিনিয়োগকাৰীসকলক সঠিক অংশপত্ৰ তথা বিনিয়োগৰ সঠিক সময় সম্পৰ্কেও ব্যুৎপত্তিসম্পন্ন পৰামৰ্শ প্ৰদান কৰে ।
- চৰকাৰৰ উন্নয়নমূলক আঁচনি সমূহত বিত্তৰ যোগান ধৰাৰ ক্ষেত্ৰতো ষ্টক বিনিময় কেন্দ্ৰসমূহ বিশেষভাৱে সহায়ক হয় ।চৰকাৰী বণ্ডৰ বাবে এক সংগঠিত বজাৰৰ উপল বদ্ধতাৰ জড়িয়তে এই কাৰ্য সমাধা কৰা হয়।
- উন্নয়নশীল দেশত সঞ্চয়ৰ পৰিমাণ কম হোৱাই নহয় ইয়াৰ এক বৃহৎ অংশ প্ৰলোভনমূলক কাম-কাজত ব্যয় কৰা হয় বা হাতে জমা ৰখা হয় । ইয়াৰ কাৰণ হ'ল বিনিয়োগৰ সুবিধাসম্পৰ্কে অজ্ঞতা, উচ্চ তাৰল্য প্ৰীতি, আৰু আন কিছু অনা-আৰ্থিক কাৰকৰ বাবে। এক সুসংগঠিত ষ্টক বিনিময় কেন্দ্ৰই দূৰদৰ্শিতাপূৰ্ণ কাৰ্য সাধনৰ জৰিয়তে ইয়াৰে কেতবোৰ কাৰকৰ উন্নতি সাধিব পাৰে।

ওপৰৰ আলোচনাৰ পৰা আমি সহজে এই সিদ্ধান্তলৈ আহিব পাৰোঁ যে সঞ্চয়ৰ সৃষ্টি আৰু সংগ্ৰহ, ইয়াৰ যথোপযুক্ত আৰু লাভজনক বিতৰণ আৰু অৰ্থনীতিত বৃহৎ পৰিমাণৰ বিনিয়োগ উৎসাহিত কৰা আদিৰ বাবে ষ্টক বিনিময় কেন্দ্ৰ হ'ল এক পূৰ্ব চৰ্ত। কিন্তু আমি ইয়াকো উল্লেখ কৰা ভাল হ'ব যে ষ্টক বজাৰৰ কাৰ্যাৱলী বহুতো ভুল তথ্য, অত্যধিক লাভ প্ৰীতি আৰু অসাধু কাৰ্যকলাপৰ অধীন যিয়ে বিনিয়োগকাৰীসকলৰ সম্পদ ধ্বংস কৰিব পাৰে। এইখিনিতে ষ্টক বিনিময় কেন্দ্ৰৰ নিয়ন্ত্ৰক ভূমিকা গুৰুত্বপূৰ্ণ হৈ পৰে। ষ্টক বিনিময় কেন্দ্ৰই পহৰাদাৰী দৃষ্টি তথা ন্যায়িক নীতি নিয়মৰ জড়িয়তে বজাৰৰ অসম্পূৰ্ণতা দূৰ কৰাৰ লগতে বজাৰৰ কাৰ্য সুচল, স্বচ্ছ আৰু যথাযথ হোৱাটো নিশ্চিত কৰা উচিত।



অগ্রগতি নিৰীক্ষণ

প্রশ্ন ৭ঃ ষ্টক বিনিময় কেন্দ্রই বিনিয়োগকাৰী এজনক বিনিয়োগৰ ক্ষতিশংকা কেনেদৰে প্রসাৰণ কৰিবলৈ সমর্থ কৰে?
(৪০ টা শব্দৰ ভিতৰত)

.....

.....

.....

.....

প্রশ্ন ৮ঃ উন্নয়নশীল অর্থনীতিত ষ্টক বিনিময় কেন্দ্রই সঞ্চয় আৰু বিনিয়োগৰ উন্নয়নত কেনেকৈ সহায় কৰে? (৫০ টা শব্দৰ ভিতৰত)

.....

.....

.....

.....

.....

প্রশ্ন ৯ঃ ষ্টক বিনিময় কেন্দ্রৰ নিয়ন্ত্রক ভূমিকা বুলিলে কি বুজে? (৪০ টা শব্দৰ ভিতৰত)

.....

.....

.....

.....



১৪.৬ অধ্যায়টিৰ পৰা আমি কি শিকিলোঁ

- যিকোনো আধুনিক অর্থনীতিৰ সুস্থ কার্যক্ষপায়ণ আৰু উন্নয়নৰ বাবে সুবিকশিত বিত্তীয় ব্যৱস্থাপনা এটা অপৰিহার্য চর্ত। বিত্তীয় ব্যৱস্থাপনা বুলিলে কিছুমান আনুষ্ঠানিক ব্যৱস্থাপনাক বুজোৱা হয় যাৰ জৰিয়তে বিত্তীয় ৰাহিসমূহ ৰাহিকর্তাৰ পৰা ঘাটি ব্যয় কৰোঁতালৈ হস্তান্তৰ কৰা হয়।
- বিত্তীয় ব্যৱস্থাপনা এটাত তিনিটা মুখ্য উপাংগ থাকে। সেইবোৰ হ'ল বিত্তীয় সম্পদ, বিত্তীয় বজাৰ আৰু বিত্তীয় প্রতিষ্ঠানসমূহ।
- বিত্তীয় বজাৰ বুলিলে এক প্রতিষ্ঠান বা এক ব্যৱস্থাপনাক বুজায় যিয়ে আমানত আৰু ঋণ, যৌথ ব্যক্তিগত ষ্টক আৰু চৰকাৰী বণ্ড আদিকে ধৰি বিত্তীয় সম্পদ সমূহৰ বিনিময় সম্ভৱপৰ কৰি তোলে। ব্যৱসায়ত ব্যৱহৃত সম্পদসমূহৰ প্রকৃতিৰ ওপৰত ভিত্তি কৰি বিত্তীয় বজাৰক

আকৌ মুদ্রা বজাৰ আৰু মূলধন বজাৰত শ্রেণীবিভাগ কৰা হৈছে।

- মূলধন বজাৰ বুলিলে এনে এক বজাৰ বা বাস্তবিকতে আন্তঃ সম্পর্কিত বজাৰৰ এক থূপ (গ্রুপ)ক বুজোৱা হয়, য'ত বা য'ৰ পৰা বিত্তীয় বা মুদ্রাৰ ৰূপত মূলধন বিভিন্ন চর্তত আৰু বিভিন্ন সময়ৰ বাবে ধাৰে দিয়া হয় বা ধাৰে লোৱা হয়। মূলধন বজাৰত মধ্যকালীন আৰু দীর্ঘকালীন ঋণৰ ব্যৱসায় কৰা হয়।
- ভাৰতীয় ৰিজার্ভ বেংকৰ সংজ্ঞা অনুসৰি মুদ্রা বজাৰ হ'ল 'মৌদ্রিক সম্পদৰ হ্রস্বম্যাদী ব্যৱসায় কৰা কেন্দ্র; ই ঋণ লওঁতাৰ হ্রস্বম্যাদী প্রয়োজন পূৰণ কৰে আৰু ঋণ দিওতাক তাৰল্য বা নগদ প্রদান কৰে।'
- মূলধন বজাৰক বহল ভিত্তিত শ্রেণীবিভক্ত কৰা হয়—প্রাথমিক বজাৰ আৰু গৌণ বজাৰ ৰূপে ।
- প্রাথমিক বজাৰ বুলিলে সেইখন বজাৰক বুজা যায় য'ত বিত্তীয় সম্পদসমূহ প্রথম বাৰৰ বাবে বিক্রী কৰা হয়। প্রাথমিক বজাৰত নতুনকৈ জাৰি কৰা বিত্তীয় সম্পদসমূহ কিনা-বেচা কৰা হয়।
- প্রচলিত অংশপত্রসমূহ গৌণ বজাৰত কিনা-বেচা কৰা হয়। এইদৰে প্রাথমিক বজাৰত বিক্রী হোৱা সম্পদসমূহ পর্যায়ক্রমে গৌণ বজাৰত কিনা-বেচা কৰা হয়। গৌণ বজাৰে প্রচলিত অংশপত্র, 'ষ্টক', 'বণ্ড', 'ডিবেঞ্চাৰ' আদি কিনা-বেচাৰ ক্ষেত্রত বিশেষীকৰণ কৰে।
- মূলধন বজাৰৰ আটাইতকৈ গুৰুত্বপূর্ণ উপাংগ হ'ল ষ্টক বজাৰ। ষ্টক বজাৰ সংগঠনে অংশপত্রৰ নতুন আৰু পুৰণি অংশপত্রৰ ক্রয়-বিক্রয়ৰ বাবে পৃথক ব্যৱস্থাপনা কৰে।
- জনসাধাৰণলৈ নতুন অংশপত্র আগবঢ়োৱা প্রক্রিয়াটোক 'ফ্লু'টেশ্যন' বা বিনিয়োগ আহ্বান বুলি কোৱা হয়। জনসাধাৰণলৈ ইস্তাহাৰ জাৰি কৰা, ব্যক্তিগত বিতৰণৰ জড়িয়তে আৰু প্রচলিত অংশীদাৰকসকলক অধিকাৰ সাপেক্ষে অংশপত্র বিতৰণৰ জড়িয়তে।
- গৌণ বজাৰৰ দুটা ভাগ থাকে— মুক্ত বিপণন যোগ্য বজাৰ (Over the Counter Market) আৰু সংগঠিত ষ্টক বিনিময় কেন্দ্র (Organized Stock Exchange)। মুক্ত বিপণন বজাৰে সেইবোৰ অংশপত্রৰ ব্যৱসায় কৰে যিবোৰ কোনো ষ্টক এক্সচেঞ্জৰ তালিকাভুক্ত হোৱা নাই। এই অংশপত্রসমূহ হ'ল সৰু সৰু কোম্পানীসমূহৰ যাৰ বজাৰ সীমাবদ্ধ। এইবোৰৰ দৰনির্দ্ধাৰণ হয় ষ্টক দালালসকলৰ মাজত প্রত্যক্ষ দৰাদৰিৰ ভিত্তিত।
- ষ্টক বজাৰৰ মূল কার্য সম্পন্ন হয় ষ্টক বিনিময় কেন্দ্রত। ষ্টক বিনিময় কেন্দ্র হ'ল তালিকাভুক্ত প্রচলিত অংশপত্রৰ শৃংখলাবদ্ধ ক্রয়-বিক্রয়ৰ এক প্রতিষ্ঠান। ই ব্যক্তি আৰু ব্যৱসায় প্রতিষ্ঠানসমূহৰ এক সংস্থা হিচাপে সুনির্দিষ্ট নীতি-নিয়ম আৰু আদর্শ অনুশীলনৰ দ্বাৰা পৰিচালিত হয়।
- ষ্টক বিনিময় কেন্দ্রই মূলধন বজাৰত বিকাশমূলক আৰু নিয়ন্ত্রণমূলক দুয়োটা ভূমিকাই পালন কৰে। সঞ্চয় সৃষ্টি আৰু সংগ্রহ, সেইবোৰৰ যথোপযুক্ত লাভজনক বিতৰণ আৰু অর্থনীতিত বৃহৎ পৰিমাণৰ বিনিয়োগ উৎসাহিত কৰিবৰ বাবে এইবোৰ হ'ল এক পূর্বচর্ত। কিন্তু আমি

ইয়াকো উল্লেখ কৰা ভাল হ'ব যে ষ্টক বজাৰৰ কার্যাৱলী বহুতো ভুল তথ্য, অত্যধিক লাভ-প্রীতি আৰু অসাধু কার্যকলাপৰ অধীন যিয়ে বিনিয়োগকাৰীসকলৰ সম্পদ ধ্বংস কৰিব পাৰে। এইখিনিতে ষ্টক বিনিময় কেন্দ্রৰ নিয়ন্ত্রক ভূমিকা গুৰুত্বপূর্ণ হৈ পৰে।



১৪.৭ অধিক জানিবৰ বাবে

ইংৰাজী গ্রন্থ ঃ

- Gupta, S. B. Gupta (1999). *Monetary Economics – Institutions, Theory and Policy*, New Delhi: S .Chand and Company Ltd.
- Paul, R. R. (2008). *Monetary Economics.* Ludhiana: Kalyani Publisher

অসমীয়া গ্রন্থ ঃ

- আহমেদ, ৰফিক (২০০৭) ঃ *সমষ্টিগত অর্থতত্ত্ব*। যোৰহাট ঃ ইউনিকা প্রকাশন।



১৪.৮ অগ্রগতিৰ খতিয়ান

১নং প্রশ্নৰ উত্তৰ ঃ *মূলধন বজাৰ* বুলিলে এনে এক বজাৰ বা আন্তঃ সম্পর্কিত বজাৰৰ এক থূপ (group)ক বুজোৱা হয়, য'ত বা য'ৰ পৰা বিত্তীয় বা মুদ্রাৰ ৰূপত মূলধন বিভিন্ন চর্তত আৰু বিভিন্ন সময়ৰ বাবে ধাৰে দিয়া বা ধাৰে লোৱা হয়। মূলধন বজাৰত মধ্যকালীন আৰু দীর্ঘকালীন ঋণৰ ব্যৱসায় কৰা হয়।

২নং প্রশ্নৰ উত্তৰ ঃ যিকোনো বিত্তীয় ব্যৱস্থাপনাত তিনিটা মূল উপাংগ থাকে। সেইবোৰ হ'ল— বিত্তীয় সম্পদ, বিত্তীয় বজাৰ আৰু বিত্তীয় প্রতিষ্ঠানসমূহ।

৩নং প্রশ্নৰ উত্তৰ ঃ মুদ্রা বজাৰে হ্রস্বম্যাদী বিত্তীয় সম্পদৰ ব্যৱসায় কৰে। আনহাতে মূলধন বজাৰে দীর্ঘম্যাদী বিত্তীয় সম্পদৰ ব্যৱসায় কৰে।

৪নং প্রশ্নৰ উত্তৰ ঃ সংগঠিত ষ্টক বজাৰ সংগঠনে নতুন ইচ্ছ্যু অংশপত্র আৰু পুৰণি অংশপত্রৰ ক্রয়-বিক্রয়ৰ বাবে পৃথক ব্যৱস্থা কৰে। প্রথমটোক প্রাথমিক বজাৰ আৰু পিছৰটোক গৌণ বজাৰ বুলি কোৱা হয়।

৫নং প্রশ্নৰ উত্তৰ ঃ নতুন অংশপত্র জাৰি কৰাৰ তিনিটা পদ্ধতি আছে। সেইবোৰ হ'ল—

(ক) ৰাজহুৱা ইস্তাহাৰ

(খ) ব্যক্তিগত বিতৰণ

(গ) অধিকাৰ সাপেক্ষে অংশপত্রৰ বিতৰণ

৬নং প্রশ্নৰ উত্তৰ ঃ ষ্টক বিনিময় কেন্দ্র হ'ল এক সংগঠন য'ত তালিকাভুক্ত অংশপত্রসমূহৰ

শৃংখলাবদ্ধ ক্রয়-বিক্রয় চলে। ই ব্যক্তি আৰু ব্যৱসায় প্রতিষ্ঠানসমূহক এক সংস্থাৰ অন্তর্ভুক্ত কৰে আৰু সুনির্দিষ্ট নীতি-নিয়ম আৰু আদর্শ অনুশীলনৰ দ্বাৰা চালিত হয়। ষ্টক বিনিময় কেন্দ্রৰ দুটা উদাহৰণ হ'ল— নেশ্যনেল ষ্টক এক্সচেঞ্জ (NSE) আৰু বম্বে ষ্টক এক্সচেঞ্জ (BSE)।

৭নং প্রশ্নৰ উত্তৰ ঃ ষ্টকৰ সুবিধা তালিকাভুক্ত কোম্পানীসমূহে এক ব্যাপক ক্ষেত্রত বিনিয়োগ প্রদান কৰে। সেই অনুসৰি বিনিয়োগকাৰীয়ে বেলেগ বেলেগ উদ্যোগৰ অংশপত্র বিভিন্ন অনুপাতত ক্রয় কৰি তেওঁৰ ক্ষতিশংকা প্রসাৰ কৰিব পাৰে।

৮নং প্রশ্নৰ উত্তৰ ঃ সঞ্চয় সংগ্রহ আৰু সেইবোৰক উপযুক্ত বিনিয়োগ ক্ষেত্রলৈ নির্গমিত কৰাৰ জৰিয়তে এখন দেশত মূলধন গঠনৰ উন্নয়নত ষ্টক বিনিময় কেন্দ্রই এক গুৰুত্বপূর্ণ ভূমিকা পালন কৰে। ই সঞ্চয় সংগ্রহ কৰে, এক বৃহৎ সংখ্যক সঞ্চয়কাৰীৰ তাৰল্য, লাভ আৰু ক্ষতিশংকা বর্জন আদি বিষয়ৰ সতে সংগতি ৰাখি বিভিন্ন ধৰণৰ অংশপত্রৰ বিপণনৰ বাবে এক সংগঠিত বজাৰৰ ব্যৱস্থা উপলব্ধ কৰে। মূলধন ষ্টক সৃষ্টিৰ বাবে বিত্তীয় সম্পদৰ পর্যাপ্ততা নিশ্চিতকৰণৰ চর্তাৱলী সৃষ্টিৰ দ্বাৰা ই বিনিয়োগ উৎসাহিত কৰে।

৯নং প্রশ্নৰ উত্তৰ ঃ ষ্টক বিনিময় কেন্দ্রই পহৰাদাৰী দৃষ্টি, ন্যায়িক নীতি-নিয়ম আৰু বজাৰ ক্ষেত্রত অসম্পূর্ণতা দূৰ কৰাৰ নিৰবিচ্ছিন্নভাৱে ভূমিকা পালন কৰি বজাৰখনৰ কার্য সুষম, স্বচ্ছ আৰু যথাযথ হোৱাটো নিশ্চিত কৰা উচিত।



১৪.৯ আৰ্হি প্রশ্ন

চুটি প্রশ্ন (১৫০টা মান শব্দৰ ভিতৰত প্রতিটো প্রশ্নৰ উত্তৰ লিখক)

প্রশ্ন ১ ঃ মূলধন বজাৰৰ ধাৰণা বর্ণনা কৰক ।

প্রশ্ন ২ ঃ মূলধন বজাৰ আৰু মুদ্রা বজাৰৰ পার্থক্য নির্ণয় কৰক।

প্রশ্ন ৩ ঃ ষ্টক বিনিময় কেন্দ্র কি?

প্রশ্ন ৪ ঃ বিনিয়োগ আহ্বান মানে কি?

ৰচনাধর্মী প্রশ্ন (৩০০-৫০০টা মান শব্দৰ ভিতৰত প্রতিটো প্রশ্নৰ উত্তৰ লিখক)

প্রশ্ন ১ ঃ মূলধন বজাৰৰ বহল ভাগবোৰ আলোচনা কৰক।

প্রশ্ন ২ ঃ নতুন অংশপত্রত বিনিয়োগ আহ্বান কৰাৰ বিভিন্ন পদ্ধতিসমূহ ব্যাখ্যা কৰক।

প্রশ্ন ৩ ঃ আধুনিক বজাৰকেন্দ্রিক অর্থনীতিত ষ্টক বিনিময় কেন্দ্রৰ ভূমিকা আলোচনা কৰক।

প্রশ্ন ৪ ঃ প্রাথমিক বজাৰ আৰু গৌণ বজাৰৰ পার্থক্য আলোচনা কৰক।

** ***** **